10 thu

চতুৰ্থ ষাণ্মাসিকৰ অসমীয়া প্ৰধান পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীসকললৈ অসমীয়া ভাষাৰ ব্যাকৰণগত বিষয় সম্পৰ্কে এটি আলোচনা দিয়া হ'ল। আলোচনাটো পঢ়ি লৈ ব্যাকৰণগত বিষয় সম্পৰ্কীয় প্ৰশ্নটোৰ উত্তৰ যুগুত কৰিবা।

তুলিকা গোস্বামী
সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ

11 fri

তাৰিখ: ৮/০৪/২০২০

ব্যাকৰণগত বিষয় কি?

উত্তৰ:- অসমীয়া ভাষাত 'ব্যাকৰণগত বিষয়' শব্দগুচ্ছ ইংৰাজী grammaticalness আৰু grammatical element or category-ৰ প্ৰতিশব্দ হিচাপে ব্যৱহাৰ কৰা হৈছে। ই মূলতঃ ৰূপতত্ত্বৰ অন্তৰ্গত বিষয় যদিও, বাক্য বিন্যাসতত্ত্বৰ আধাৰতহে ইয়াৰ পূৰ্ণাংগ বিচাৰ সম্ভৱ হয়। ভাষা

12 sat 13 sun

একোটাৰ ৰূপতত্ত্ব আৰু বাক্যবিন্যাসতত্ত্বৰ সমান্তৰাল আলোচনাৰ জৰিয়তহে সেই ভাষাৰ ব্যাকৰণগত বিষয়সমূহ নিৰ্ণয় কৰিব পাৰি। ব্যাকৰণগত বিষয়ৰ সূত্ৰ ভাষাৰ গঠন বৈশিষ্ট্যৰ ওপৰত নিৰ্ভৰশীল। ভাষাভেদে গঠন বৈশিষ্ট্য ভিন্ন হোৱা হেতুকে ব্যাকৰণগত বিষয়সমূহো ভিন ভিন হ'ব পাৰে। বাক্যৰ গাঁথনিত নিয়মৰ ৰূপে পদৰ-লগত পদৰ সংগতি প্ৰদৰ্শন কৰে, নিয়মৰ নহ'লে পদেই ৰচিত হ'ব নোৱাৰে, ভাষাৰ তেনেবোৰ ৰূপেই অৰ্থাৎ বিভক্তিবোৰে প্ৰকাশ কৰা গাঁথনিক অৰ্থকে ব্যাকৰণগত বিষয় বা তত্ত্ব বোলে।

Notes

December 2005

| Sun | Mon | Tue | Wed | Thu | Fri | Sat |
|---|---|---|---|---|---|---|
| | | | | 1 | 2 | 3 |
| 4 | 5 | 6 | 7 | 8 | 9 | 10 |
| 11 | 12 | 13 | 14 | 15 | 16 | 17 |
| 18 | 19 | 20 | 21 | 22 | 23 | 24 |
| 25 | 26 | 27 | 28 | 29 | 30 | 31 |

২. অসমীয়া ভাষাৰ ব্যাকৰণগত বিষয় ঃ

ওপৰত ব্যাকৰণগত বিষয় সম্বন্ধে যি আলোচনা দাঙি ধৰা হ'ল, তাৰ আধাৰত বিচাৰ কৰিলে অসমীয়া ভাষাৰ নিম্নোক্ত বিষয়কেইটাক ব্যাকৰণগত বিষয়ৰ মৰ্যাদা দিব পৰা যায় ঃ

২.১ কাৰক,

২.২ পুৰুষ (সম্বন্ধবাচক নাম পদ আৰু ক্ৰিয়াপদৰ পুৰুষ),

২.৩ অসমাপিকা ক্ৰিয়া,

২.৪ কৰ্মবাচ্য (সীমিত প্ৰয়োগ), আৰু

২.৫ লিঙ্গ (আংশিক)।

এইবোৰৰ ভিতৰত কৰ্মবাচ্যৰ মাত্ৰ এটা প্ৰয়োগকহে ব্যাকৰণগত বুলিব পৰা যায়। তদুপৰি লিঙ্গও আংশিকভাৱেহে ব্যাকৰণগত। নক'লেও চলে, অসমীয়া ভাষাত এই বিষয়কেইটা বুজাবলৈ প্ৰয়োগ হোৱা প্ৰাকৃতি বা সৰ্গবোৰৰ বিভক্তিৰ মৰ্যাদা আছে।[২] তলত প্ৰতিটোৰে চমু আভাস দাঙি ধৰা হ'ল।


২.১ কাৰক

অসমীয়া ভাষাত সম্বন্ধ পদক ধৰি মুঠ সাতোটা কাৰকৰ ব্যৱহাৰ পোৱা যায়। কাৰক সাতোটা হ'লেও সিবোৰক নিৰ্দেশ কৰা বা ক্ৰিয়াৰ সৈতে কাৰকসূচক পদৰ সঙ্গতি স্থাপন কৰা বিভক্তিৰ সংখ্যা মাত্ৰ ছটা। অসমীয়াত অপাদান কাৰক বুজোৱা সুকীয়া বিভক্তি নাই। ষষ্ঠী-অৰ-ৰ পিছত পৰা অনুপদ বহুৱাই অপাদান কাৰক সিদ্ধ কৰা হয়। তলত বিভক্তিৰে সৈতে কাৰকৰ চানেকি এখন দাঙি ধৰা হ'ল ঃ

| কাৰক | বিভক্তি |
|---|---|
| কৰ্তা কাৰক | -এ/ -ই |
| কৰ্ম ,, | -অক |
| কৰণ ,, | -এৰে |
| নিমিত্তাৰ্থক ,, | - অলৈ |
| অপাদান ,, | × |

| | |
|---|---|
| সম্বন্ধ পদ | -অৰ |
| অধিকৰণ কাৰক | - অত |

অসমীয়া ভাষাত কাৰক-সম্বন্ধ বুজোৱা শব্দৰূপৰ এই বিভক্তিকেইটাৰ প্ৰয়োগ ব্যাকৰণগত। তলৰ উদাহৰণকেইটালৈ মন কৰিলে কথাখিনি অধিক স্পষ্ট হ'ব ঃ




অসমীয়া বাক্যৰ এই সাঁচটোত 'মই' আৰু 'আছোঁ' পদ দুটাৰ মাজত, অৰ্থাৎ কৰ্তা আৰু ক্ৰিয়াপদৰ মাজত বহা নাম শব্দকেইটাৰ প্ৰতিটোতে -অত/-ত বিভক্তি অপৰিহাৰ্যভাৱে লগ লাগিছে। এই বিভক্তিটো বাদ দি উল্লিখিত বাক্যৰ সাঁচটো গ্ৰহণীয় বুলি বিবেচিত নহয়; অৰ্থাৎ *মই ঘৰ আছোঁ, *মই গুৱাহাটী আছোঁ আদি বাক্য অসমীয়া-ভাষীয়ে শুদ্ধ বুলি স্বীকাৰ নকৰে।

এইবাৰ আন দুটামান উদাহৰণ পৰীক্ষা কৰা যাওক ঃ

মই ঘৰলৈ যাওঁ।
তুমি দোকানলৈ যোৱা।
তই তেজপুৰলৈ যাব।
সি/তাই/তেওঁ দিল্লীলৈ যায়।

এই বাক্যকেইটালৈ লক্ষ্য কৰিলে দেখা যায়, প্ৰতিটোতে কৰ্তাৰ স্থানত থকা পুৰুষৰ সাল-সলনিৰ লগত সঙ্গতি ৰাখি ক্ৰিয়াৰ সৈতে যোগ হোৱা বিভক্তিৰ পৰিৱৰ্তন ঘটিছে। কিন্তু মাজৰ নাম শব্দ ভিন্ন হোৱা সত্ত্বেও সিবোৰৰ সৈতে একেই-অলৈ /-লৈ বিভক্তি লগ লাগিছে। নক'লেও চলে, উল্লিখিত উদাহৰণ দুটাত পোৱা -অত / -ত আৰু -অলৈ /-লৈ বিভক্তিয়ে অসমীয়াত যথাক্ৰমে অধিকৰণ আৰু নিমিত্তাৰ্থক কাৰকৰ অৰ্থ প্ৰকাশ কৰে। অন্যান্য কাৰকৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। সিবিলাকতো এনেদৰে একোটাইত বিভক্তি অপৰিহাৰ্যভাৱে লগ লাগে আৰু এই বিভক্তিবোৰৰ গাঁথনিক অৰ্থ হৈছে কাৰক। বিভক্তিবোৰ বাদ দিলে বাক্যত পদৰ সঙ্গতি স্থাপন নহয়। ইয়াৰ পৰা বুজিবলৈ টান নহয় যে কাৰক অসমীয়া ভাষাৰ এক ব্যাকৰণগত বিষয়।

## ২.২ পুৰুষ

অসমীয়া ভাষাৰ আন এটা ব্যাকৰণগত বিষয় হ'ল—পুৰুষ। অৰ্থাৎ গাঁথনিক সঙ্গতি ৰক্ষা কৰিবলৈ অসমীয়াত পুৰুষ অনুসাৰে বিভিন্ন বিভক্তিৰ বা আন কথাত